আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MARCH 01, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৪ | Guwahati, Assam ।। মূল্যঃ এটকা

**আন্দোলনৰ আশংকাত গুৱাহাটীৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত সষ্টম নিৰাপত্তাৰক্ষী**

# ‘কা’ৰ বাবে হঠাৎ আৰক্ষীৰ গিৰিপ-গাৰাপ



ই-সংবাদ, ১ মাৰ্চঃ সশস্ত্ৰ বাহিনীৰ বেহু ৰূপে গঢ়ি তোলা হৈছে গুৱাহাটীক। গুৱাহাটীৰ চৌদিশে এতিয়া সশস্ত্ৰ বাহিনীৰ লোকৰ তহল আৰম্ভ হৈছে। প্ৰতিটো পথ, উপ-পথত তহল দিছে আৰক্ষীয়ে। সহায় লোৱা হৈছে অৰ্ধসামৰিক বাহিনীৰ। উদ্দেশ্যে শেষাংশ ৩ পৃষ্ঠাত

## ‘কা’ৰ বিৰুদ্ধে মিজোৰামতো প্ৰতিবাদ

**আইজল, ১ মাৰ্চঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ পূৰ্বাঞ্চলত ‘কা’ বলবৎ কৰিবলৈ সাজু হোৱাত উত্তৰ-পূৰ্বৰ বিভিন্ন দল-সংগঠনে তীব্ৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছে। উত্তৰ-পূৰ্ব বিভিন্ন ৰাজনৈতিক দলৰ দৰেই মিজোৰামৰ আঞ্চলিক দল মিজো শেষাংশ ৩ পৃষ্ঠাত

## গণিত টান! ছেবাৰ কাৰ্যালয় ঘেৰাও ক্ষুব্ধ অভিভাৱকৰ

**ই-সংবাদ, ১ মাৰ্চঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষা চলি থকাৰ সময়তে শুকুৰবাৰে ছেবাৰ কাৰ্যালয় ঘেৰাও কৰে ক্ষুব্ধ একাংশ অভিভাৱক আৰু পৰিক্ষাৰ্থীয়ে। গণিতৰ প্ৰশ্ন কাকতখনক লৈ ৰাজ্যজুৰি অসন্তুষ্টি অব্যাহত থকাৰ মাজতে কাৰ্যালয় ঘেৰাও কৰাত আজি কাৰ্যালয়ত একপ্ৰকাৰ শেষাংশ ৩ পৃষ্ঠাত

## নিজ চৰকাৰক আকৌ সমালোচনা! চৰ্চাত গাডকাৰী



**নতুন দিল্লী, ১ মাৰ্চঃ** কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত প্ৰদান কৰা ভাষণৰ ক্লিপ প্ৰায়েই ভাইৰেল হয়। এইবাৰ ভাষণ নহয়, এইবাৰ এটা ব্যক্তিগত খণ্ডৰ সংবাদ প্ৰতিষ্ঠানক দিয়া সাক্ষাতকাৰৰ ভিডিঅ’ ক্লিপ ভাইৰেল হৈছে। ভাইৰেল ভিডিঅ’ ক্লিপ শ্বেয়াৰ কৰি নেটিজেনে নিজৰে চৰকাৰক সমালোচনা কৰাৰ অভিযোগ উত্থাপন শেষাংশ ২ পৃষ্ঠাত

## বিজেপিয়ে এতিয়াও প্ৰকাশ কৰা নাই চূড়ান্ত তালিকা


**ই-সংবাদ, ১ মাৰ্চঃ** সংবাদমাধ্যমত প্ৰকাশিত বিজেপিৰ তালিকাখন সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তালিকাখন ভুৱা বুলি দাবী কৰে। আগন্তুক লোকসভা নিৰ্বাচনক লৈ সংবাদ মাধ্যমত শেষাংশ ৪ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ‘ফেচবুক ইনফ্লুৱেঞ্চাৰ’ লুইতৰ পোষ্টত ডিজিপিৰ বুজনি

**ই-সংবাদ, ১ মাৰ্চঃ** সামাজিক মাধ্যমত বিগত কেবাবছৰো ধৰি ধাৰাবাহিকভাৱে চৰকাৰৰ ভুল-ত্ৰুটিক সমালোচনা কৰি প্ৰায়েই চৰ্চিত হৈ আহিছে ব্যৱসায়ী লুইত কুমাৰ বৰ্মন। চৰকাৰৰ কামক সমালোচনা কৰাৰ কাম বিৰোধী দলৰ নেতাৰ যদিও এতিয়াৰ বিৰোধীয়ে মুখত পিঠা ভৰাই






থকাৰ ফলত ব্যৱসায়ী হৈয়ো চৰকাৰৰ ভুল-ত্ৰুটিক সমালোচনা কৰি একপ্ৰকাৰ অসমত 'ফেচবুক ইনফ্লুৱেঞ্চাৰ' হিচাপে পৰিগণিত হৈ পৰিছে ব্যৱসায়ী লুইত কুমাৰ বৰ্মন। এইবাৰ বিপদত পৰিব বুলি জানিও অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙক আক্ৰমণৰ লক্ষ্য কৰি শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

## নিজ চৰকাৰক

কৰিছে। বিভিন্ন লোকে ভিডিঅ’ শ্বেয়াৰ কৰি নৰেন্দ্ৰ মোদী চৰকাৰক সমালোচনা কৰাৰ অভিযোগ উত্থাপন কৰিছে। আনহে নালাগে দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ বিভিন্ন নেতাই ভিডিঅ’ ক্লিপটো শ্বেয়াৰ কৰিছে। সামাজিক মাধ্যমৰ বিভিন্ন প্লেটফৰ্মত থকা কংগ্ৰেছৰ একাউন্ট-পেজত ভিডিঅ’টো শ্বেয়াৰ কৰি কংগ্ৰেছে বিজেপি নেতৃত্বাধীন নৰেন্দ্ৰ মোদী চৰকাৰক সমালোচনা কৰা দেখা গৈছে। প্ৰকৃততে নীতিন গাডকাৰীয়ে লল্লনটপ নামৰ সংবাদ প্ৰতিষ্ঠানটোক এটা সাক্ষাতকাৰ দিছিল। সাক্ষাতকাৰৰ সময়ত এটা প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ গৰীব, কৃষকৰ অনুন্নত অৱস্থাৰ কথা কয়। সেই সময়ত গাডকাৰীয়ে আজি গাঁও, গৰীব মজদুৰ, শ্ৰমিক দুখত থকা বুলি কয়। গাডকাৰীয়ে কয় ‘আজি গাঁও, গৰীব, মজদুৰ, কৃষক দুখত আছে। ইয়াৰ কাৰণ হৈছে জল, জমীন, জানোৱাৰ, গ্ৰাম্য কৃষি, জনজাতিৰ উন্নত পথ, সেৱন কৰিবলৈ বিশুদ্ধ পানী নাই, উন্নত হাস্পতাল নাই, উন্নত স্কুল নাই, কৃষকৰ উৎপাদীত সামগ্ৰীৰ উচিত মূল্য পোৱা নাই।’



দিল্লীৰ গংগাৰাম হাস্পতালত চিকিৎসাধীন মন্ত্ৰী জয়ন্তমল্ল বৰুৱা

# হত্যা-ধৰ্ষণ কাণ্ডৰ দোষী ৰাম ৰহিমে আৰু নাপাব পেৰ’ল

**ই সংবাদ, ১মাৰ্চঃ** হত্যা, ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধত দোষী সাব্যস্ত হৈ কাৰাগাৰত জীৱন কটোৱা বাৰে বাৰে পেৰ’লত মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হয় ডেৰা সচ্চা সৌদাৰ মুৰব্বী তথা স্বয়ম্ভু ভগৱান ৰাম ৰহিম। চৰকাৰৰ কৃপাদৃষ্টিত বিগত দুটা বছৰত ৬ মাহতকৈও অধিক সময় পেৰ’ল লাভ কৰা ৰাম ৰহিমৰ পেৰ’লক লৈ এইবাৰ কঠোৰ হ’ল আদালত। হাৰিয়ানা চৰকাৰক ককৰ্থনা কৰি বৃহস্পতিবাৰে এক শুনানিৰ সময়ত পঞ্জাৱ-হাৰিয়ানাউচ্চ ন্যায়ালয়ে আদালতৰ অনুমতি অবিহনে ৰাম ৰহিমক পেৰ’ল নিদিবলৈ চৰকাৰক নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, স্বয়ম্ভু ভগৱান ৰাম ৰহিমক হত্যা, ধৰ্ষণ আৰু ভাবুকিৰ গোচৰত কাৰাদণ্ড বিহিছিল আদালতে। কিন্তু তাৰ পিছতে বাৰে বাৰে পেৰ’ল লাভ কৰাত এই পেৰ’লৰ বিৰুদ্ধে আদালতত আবেদন দাখিল কৰিছিল এছ জি পি চিয়ে। এই আদালতৰে শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে বৃহস্পতিবাৰে হাৰিয়ানা চৰকাৰে এতিয়ালৈকে আৰু কিমানজনলোকক এনেদৰে পেৰ’ল দিছে বুলিও প্ৰশ্ন কৰে৷ আদালতে নিজৰ নিৰ্দেশত উল্লেখ কৰিছে যে ৰাম ৰহিমে ২০২৪ চনৰ ১০ মাৰ্চৰ নিৰ্দিষ্ট তাৰিখত আত্মসমৰ্পণ কৰিব পাৰিব। ইয়াৰ পিছত আদালতৰ অনুমতি অবিহনে পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে তেওঁৰ পেৰ’ল প্ৰদানৰ গোচৰটো কৰ্তৃপক্ষই বিবেচনা কৰিব নোৱাৰে। আদালতে কয়, ‘আমি বিচাৰো যে হাৰিয়ানা চৰকাৰে শপতনামা দাখিল কৰক যে এনে অপৰাধৰ ইতিহাস থকা আৰু ৩টা গোচৰত দোষী সাব্যস্ত হোৱা কিমানজন অপৰাধীক এনেদৰে পেৰ’লৰ সুবিধা দিয়া হৈছে।’’ এই গোচৰৰ পৰৱৰ্তী শুনানি ১১ মাৰ্চ নিৰ্ধাৰণ কৰিছে আদালতে।

# দিল্লীৰ চিকিৎসালয়ত ভৰ্তি মন্ত্ৰী জয়ন্তমল্ল

**ই সংবাদ, ১মাৰ্চঃ** লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে বিভিন্ন আঁচনি ৰূপায়নৰ কামত ব্যস্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা বৃহস্পতিবাৰে হঠাতে অসুস্থ হৈ পৰে। জয়ন্তমল্ল বৰুৱাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাই চিকিৎসা কৰা হয়৷ কিন্তু চিকিৎসকৰ পৰামৰ্শ মতে, পৰিয়ালে অসমৰ পৰিৱৰ্তে বাহিৰত চিকিৎসা কৰাৰ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে৷ ইতিমধ্যে বিমান যোগে জয়ন্তমল্ল বৰুৱাক দিল্লীলৈ নিয়া হৈছে৷ দিল্লীৰ ছাৰ গংগাৰাম হাস্পতালত ভৰ্তি কৰোৱা বুলি জানিব পৰা গৈছে৷ বিভাগ আৰু দলীয় কামত ব্যস্ততাৰ সময়তে পেটৰ বিষত আক্ৰান্ত হয় বৰুৱা৷ ক্ৰমে স্বাস্থ্যৰ অৱস্থা জটিল হৈ পৰাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়। কিন্তু চিকিৎসকৰ উন্নত চিকিৎসাৰ পৰামৰ্শত দিল্লীলৈ নিয়া হয়৷ মন্ত্ৰীগৰাকী গল্ড ব্লাডাৰ জনিত ৰোগত আক্ৰান্ত হোৱাৰ সন্দেহ কৰা হৈছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গণিত টান! ছেবাৰ কাৰ্যালয়

উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিভ্ৰান্তিকৰ প্ৰশ্নকাকতে পৰীক্ষাৰ্থীক মানসিক হাৰাশাস্তি কৰাৰ অভিযোগৰ মাজতে ছেবাৰ কাৰ্যালয়ত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পৰীক্ষাৰ্থীক মানসিক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰি ছেবাৰ কাৰ্যালয়ত প্ৰতিবাদ জনাই অভিভাৱক আৰু পৰীক্ষাৰ্থীয়ে। মেট্ৰিকৰ গণিত বিষয়ৰ প্ৰশ্নকাকত বিসংগতিৰ বিৰুদ্ধে ছেবাৰ কাৰ্যালয় ঘেৰাও কৰে অভিভাৱকে। ক্ষোভিত অভিভাৱকৰ শ্ল'গানত ছেবাৰ কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ছেবাৰ কাৰ্যালয় সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি বিসংগতিপূৰ্ণ প্ৰশ্নকাকতৰ বাবে ছেৱাৰ কৰ্তৃপক্ষক জৱাবদিহি কৰে অভিভাৱকে। ছেবাৰ কাৰ্যালয়ৰ ভিতৰত প্ৰবেশৰ চেষ্টা কৰে একাংশ ক্ষুব্ধ অভিভাৱকে। শিক্ষাৰ্থীৰ জীৱনক লৈ হেতালি নেখেলিবলৈ সকিয়াই দিয়ে অভিভাৱকে। ক্ষুব্ধ অভিভাৱকে অংকৰ পৰীক্ষাত পাঠ্যক্ৰম বহিৰ্ভূত প্ৰশ্নকাকত সন্দৰ্ভত ছেবাৰ সচিব এন.এন নাথক সাক্ষাৎ কৰি জবাবদিহি কৰে। সচিবগৰাকীয়ে এই সম্পৰ্কত কয় যে প্ৰশ্নকাকতত বিসংগতিৰ সমগ্ৰ বিষয়টো পৰীক্ষা কৰিব। শিক্ষাৰ্থীৰ শৈক্ষিক ভৱিষ্যতৰ স্বাৰ্থত ছেবা সদায় সৰ্তক। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে গণিতত যদি পাঠ্যক্ৰমৰ বাহিৰৰ প্ৰশ্ন আহিছে, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ নম্বৰ লাভ কৰিব বুলিও কয়। মেট্ৰিকত পাঠ্যক্ৰমৰ বাহিৰৰ পৰা প্ৰশ্নকাকতত প্ৰশ্ন সন্নিৱিষ্ট কৰাত ক্ষুব্ধ অভিভাৱকসকল। ২৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত গণিতৰ পৰীক্ষাৰ দিনটোত একাংশ পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰত কান্দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ গণিতৰ কাকতখনক লৈ অসন্তুষ্টি অব্যাহত আছে। শিক্ষাৰ্থীৰ জীৱনকলৈ হেতালি খেলাৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে আজি অভিভাৱকে প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে আজি পুৱাই ছেবাৰ কাৰ্যালয়ত উপস্থিত হয় আছুৰ কেন্দ্ৰীয় প্ৰতিনিধিৰ এটা দল। ছেবাৰ অধ্যক্ষক সাক্ষাৎ কৰি সাধাৰণ গণিত বিষয়ৰ প্ৰশ্নকাকতত হোৱা বিসংগতিক লৈ তদন্তৰ দাবী উত্থাপন কৰে আছুৱে। ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি নেখেলিবলৈ সকিয়াই দিয়ে আছুৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ৰ বিৰুদ্ধে মিজোৰামতো

মিজো নেচনেল ফ্ৰণ্টে ‘কা’ বলৱতৰ কুচকাৱাজক বিৰোধ কৰিছে। মিজো নেচনেল ফ্ৰণ্টৰ মুৰব্বী তথা মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জোৰাম থাংগাই ‘কা’ বলবত কৰিব খোজ কাৰ্যৰ বিৰোধ কৰিছে। মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জোৰাম থাংগাই নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰিব খোজা কাৰ্যৰ বিৰোধিতা প্ৰকাশ কৰিছে। আনহাতে এইক্ষেত্ৰত মিজোৰামৰ শাসকপক্ষক স্থিতি স্পষ্ট কৰিবলৈকো দাবী  জনাইছে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে। জোৰাম থাংগাই কয় যে পূৰ্বৰ দৰেই আমি ‘কা’ৰ বিৰোধ কৰিছো আৰু বিৰোধ কৰিবলৈ দৃঢ়। ম্যানমাৰ সীমান্ত ছীল্ড আৰু বিদেশীক উত্তৰ-পূৰ্বাঞ্চলত সংস্থাপনক লৈ জোৰাম থাংগাই কয় যে সীমান্তত চলাচলৰ মুক্ত ব্যৱস্থা ব্যাহত কৰাৰ সিদ্ধান্তৰ দৰেই নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধ কৰিছো। জোৰাম থাংগাই কেন্দ্ৰীয় চৰকাৰৰ স্থিতিক সমালোচনা কৰি কয় যে নাগৰিকত্ব সংশোধনী আইন ২০১৯ চনৰ ১১ ডিচেম্বৰত সদনত গৃহীত হৈছে। আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানত নিৰ্যাতিত ধৰ্মীয় সংখ্যালঘুক ভাৰতীয় নাগৰিকত্বৰ প্ৰদান কৰিবলৈ নাগৰিকত্ব আইন ১৯৫৫ সংশোধন কৰা হৈছে। ২০১৪ চনৰ ডিচেম্বৰ লৈ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী বা খ্ৰীষ্টান ভাৰতত সংস্থাপন দিব। দেশসমূহৰ ইছলামধৰ্মীক এনে যোগ্যতা কিয় প্ৰদান নকৰে বুলিও প্ৰশ্ন কৰে থাংগাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ৰ বাবে হঠাৎ আৰক্ষীৰ

হৈছে আন্দোলন দমন। কোনো কাৰণত যাতে আন্দোলনকাৰী একত্ৰিত হ’ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে ‘কা’ বলবৎ কৰিলেও যাতে দল-সংগঠনে গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাৰে তাৰ বাবে শুকুৰবাৰৰ দিনৰ ভাগৰ পৰা আখৰা আৰম্ভ কৰিছে গুৱাহাটী আৰক্ষীয়ে। ছয়মাইল, দিছপুৰ চুপাৰ মাৰ্কেট, লাষ্টগেট, সচিবালয়, গণেশগুৰি, উলুবাৰী, জি.এছ ৰোড, হাতীগাঁৱকে ধৰি সকলো প্ৰান্তত শুকুৰবাৰৰ দিনৰভাগৰে পৰা আৰক্ষীয়ে তহল আৰম্ভ কৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এক্সত আৰক্ষীয়ে তহল দি থকাৰ কেইবাখনো ফটো শ্বেয়াৰ কৰে। জি.পি সিঙে কয় যে গুৱাহাটীবাসীক সুৰক্ষিত কৰা হ’ব। অসম আৰক্ষীয়ে সকলো পৰিস্থিতিত আইন-শংখলা আৰু শান্তি বজাই ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সমগ্ৰ গুৱাহাটীত আৰক্ষীৰ বেহু তৈয়াৰ কৰাত পৰিস্থিতি গোমা হৈ পৰে। গুৱাহাটীত বাটে-ঘাটে ব্লেক কমাণ্ডো, আৰক্ষীৰ আন কনিষ্টবল আৰু চিআৰপিএফৰ জোৱানেৰে ভৰি পৰিছে। ব্যাপক কুচকাৱাজ আৰম্ভ কৰি পদযাত্ৰা কৰা দেখা গৈছে গুৱাহাটী আৰক্ষীক। গুৱাহাটী আৰক্ষীৰ মুখ্য আয়ুক্ত আৰু আয়ুক্তসকলেও পথত নামে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে ‘কা’ বলবৎ কৰিব বুলি বাৰে বাৰে বিজেপিৰ নেতাসকলে উল্লেখ কৰি আহিছে। তাৰ পাছতে বিভিন্ন দল-সংগঠনে আন্দোলন আৰম্ভ কৰিছে। কেইবাটাও জাতীয় সংগঠনে আন্দোলন ঘোষণা কৰিছে। অসমৰ বিৰোধী দলসমূহে অসম বন্ধ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে সমগ্ৰ অসমৰ আৰক্ষী থানা সমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষীৰ ছুটী বাতিল কৰা হৈছে। কন্দুৰা গেছ, বাহন, লাঠি আদি মজুত ৰাখিবলৈও নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। এই অনুযায়ী গুৱাহাটীৰ লগতে উজনি অসমৰ প্ৰায় প্ৰতিখন জিলা সদৰতে আৰক্ষী সষ্টম হৈ থকা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' লুইতৰ পোষ্টত

লৈছে 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' বৰ্মনে। অসমৰ ১৬টা বিৰোধী দলে নাগৰিকত্ব সংশোধনী আইন বলবৎ হ'লে পিছদিনাই অসম বন্ধ দিয়াৰ ঘোষণা কৰিছিল। তাৰ প্ৰত্যুত্তৰত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানে পুৰণি পোষ্ট এটাকে শ্বেয়াৰ কৰি জৰিমনা ভৰোৱাৰ কঠোৰ স্থিতি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছিল। ডিজিপি জি.পি সিঙে বন্ধ ঘোষণা কৰা লোকসকলে ১৬৪৩ কোটি টকাৰ ভৰিব লাগিব বুলি কয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে এক আৰ্জিৰ আধাৰত ২০১৯ চনৰ ১৯ মাৰ্চত এক নিৰ্দেশ দিছিল। সেই নিৰ্দেশ অনুসৰি বন্ধ আহ্বান জনোৱা পক্ষৰ পৰা ক্ষতিপূৰণ আদায় কৰিব পাৰি। তাকে লৈ ২০২২ চনৰ জুন মাহত জি.পি সিঙে এটা পোষ্ট দিছিল। সেই পোষ্টকে ৰিপোষ্ট কৰি বন্ধ দিব খোজা দলসমূহৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ ইংগিত দিছিল। তাৰ পাছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিভিন্ন দল-সংগঠনে ডিজিপিক শাসকীয় দলৰ সপক্ষে কাম কৰা বুলি সমালোচনা কৰে। তাৰ মাজতে শুকুৰবাৰে নিজৰ ফেচবুক একাউণ্টত পোষ্ট দিছিল 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' লুইত কুমাৰ বৰ্মনে। লুইত কুমাৰ বৰ্মনৰ পোষ্টত ততাতৈয়াকৈ প্ৰত্যুত্তৰ দিবলৈ বাধ্য হয় জি.পি সিঙে। 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' বৰ্মনে আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যুক লৈ প্ৰশ্ন তোলে। কেৱল ইমানে নহয় অসম আৰক্ষীয়ে ন্যায়ালয়ৰ নিৰ্দেশনা কিমান পালন কৰে তাকে লৈও সন্দেহ ব্যক্ত কৰে বৰ্মনে। বৰ্মনে কয় 'এক্সট্ৰা জুডিচিয়েল কিলিং আইন মতে দণ্ডনীয়। ইমান আইনৰ খতিয়ান ৰখা ডি.জি.পিজনে নিজৰ বিভাগৰ প্ৰতিও নজৰ দিব লাগে। বেলেগ ৰাজনৈতিক দলক কোৱাৰ আগতে।' 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' বৰ্মনে এনেদৰে ফেচবুকত পোষ্ট দিয়াৰ পাছতে পলম নকৰিলে ডিজিপি সিঙে। ততাতৈয়াকৈ কমেণ্ট বক্ৰোক্ত প্ৰত্যুত্তৰ দিয়ে আৰক্ষী সঞ্চালক প্ৰধানে। ডিজিপি সিঙে লুইত কুমাৰ বৰ্মনক উনুকিয়াই দি কয় 'অনুগ্ৰহ কৰি সদায়ে মনত ৰাখিব যে অপৰাধ প্ৰতিৰোধ, চিনাক্তকৰণ আৰু আইন-শৃংখলা ৰক্ষণাবেক্ষণৰ বাবে প্ৰয়োজন হ'লে সমগ্ৰ বিশ্বৰ আৰক্ষীক ব্যৱহাৰ কৰিবলগা অস্ত্ৰ প্ৰদান কৰা হৈছে। অস্ত্ৰবোৰৰ ব্যৱহাৰত প্ৰক্ৰিয়া আৰু নিয়ম নিৰ্ধাৰণ কৰা হৈছে, যিয়ে ইয়াক নিয়ন্ত্ৰণ কৰে। ইয়াৰ বাবে এক পৰ্যৱেক্ষণ প্ৰণালী, বিভাগীয়, প্ৰশাসনিক আৰু ন্যায়িক ব্যৱস্থা আছে। প্ৰয়োজনত অস্ত্ৰ ব্যৱহাৰ কৰাত ব্যৰ্থতা, আৰক্ষীৰ বাবে এক বৃহৎ বিফলতাহে।' পুনৰ 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' বৰ্মনে কমেণ্ট বক্ৰোক্ত প্ৰত্যুত্তৰ দি কয়, 'জি.পি. সিং মহাশয়, ডি.জি.পিৰ চকীৰ পৰা এনে মন্তব্য কৰাতো ন্যায় সংগত নহয়। উচ্চ ন্যায়ালয়ৰ আদেশৰ পৰিপ্ৰেক্ষিতত আপুনি কোনো ৰাজনৈতিক দলক সতৰ্ক কৰা উচিত নহয়। মাননীয় উচ্চ ন্যায়ালয়ে আৰক্ষীক একাধিক নিৰ্দেশনা দিছে। আপুনি সততাৰে অনুভৱ কৰে নেকি যে আপোনাৰ বিভাগে সকলো নিৰ্দেশনা মানি চলিছে।' 'ফেচবুক ইনফ্লুৰেঞ্চাৰ' লুইত কুমাৰ বৰ্মনে দিয়া ৰিপ্লাই কমেণ্টৰ কোনো প্ৰত্যুত্তৰ নিদি জি.পি সিঙে ২০১৯ চনৰ 'কা' আন্দোলনৰ সময়ৰ তিনিটা ভিডিঅ' পোষ্ট কৰি আন্দোলনকাৰীক সতৰ্ক কৰি দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিয়ে এতিয়াও প্ৰকাশ কৰা

প্ৰচাৰিত বিজেপিৰ প্ৰাৰ্থী তালিকা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰদান কৰি হিমন্ত বিশ্ব শৰ্মাই তালিকাখন ভুৱা বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাৰ্থী তালিকা চূড়ান্ত হৈছে যদিও, এতিয়াও সেয়া প্ৰকাশ কৰা হোৱা নাই। প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাটো কেন্দ্ৰীয় নেতৃত্বৰ হাতত। আজি উন্নয়নৰ প্ৰতিশ্ৰুতি লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকা ভ্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকাত কেইবা কোটি টকাৰ আঁচনি উচৰ্গা কৰে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত বৰাক উপত্যকাৰ কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয়ৰ বাবে ভূমি পূজন কৰে। লগতে শিলচৰ কৰ্কট কেন্দ্ৰৰো ভূমি পূজন কৰে। বৰাকৰ লক্ষীপুৰতো ৪০০ কোটি টকাৰ উন্নয়নমূলক কাম উৎসৰ্গা কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ভূমি পূজনৰ অন্তত ৯৩৯ কোটি টকা ব্যয়ৰ নিৰ্মাণ হ'বলগীয়া চিকিৎসা মহাবিদ্যালয়খনে বৰাকৰ জনসাধাৰণক উন্নত চিকিৎসা লাভ কৰাটো নিশ্চিত কৰিব বুলি কয়। নতুন চিকিৎসা মহাবিদ্যালয়খন এক নতুন মাইলৰ খুঁটি হ'ব। এখন সুস্থ আৰু সবল অসমৰ স্বপ্নৰ বাস্তৱ প্ৰতিফলন। দেশৰ ভিতৰতে অসমক এখন উন্নত ৰাজ্য হিচাপে গঢ়ি তুলি অন্যতম লক্ষ্য আৰু অগ্ৰাধিকাৰ হৈছে ৰাজ্যৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু নিৰোগী জীৱন সুনিশ্চিত কৰিব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ২০২৬ চনৰ ভিতৰত বৰাক উপত্যকাৰ লোকসকলে হাফলং হৈ গুৱাহাটী পাবলৈ সক্ষম হ'ব। যাতায়ত ব্যৱস্থা অতি সুলভ হ'ব। ইপিনে শিলচৰত এগৰাকী মহিলাই মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰিবলৈ কন্দা-কটা কৰে। ভূমি মাফিয়াই মহিলাৰ ভূমি দখল কৰাৰ অভিযোগ কৰি এখন অভিযোগ পত্ৰ দাখিল কৰে। চকুপানী টুকি থকা মহিলাৰ সন্মুখতে মুখ্যমন্ত্ৰীয়ে আৰক্ষী অধীক্ষকক ২৪ ঘণ্টাৰ ভিতৰত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খালিস্তানীৰ ভয়-ভাবুকি কেৰেপ নকৰে বুলি কয়। সাংবাদিকককহে তেওঁ ওলোটাই প্ৰশ্ন কৰে, 'মোক ভাবুকি দিছে, তইহে কিয় ভয় খাইছ?' উল্লেখ্য যে, ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা খালিস্তানী নেতা অমৃতপাল সিঙক স্থানান্তৰিত কৰাৰ দাবীৰে খালিস্তানী গোটে মুখ্যমন্ত্ৰীক ভাবুকি প্ৰদান কৰা বুলি চৰ্চা চলিছে। এই সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, 'খালিস্তানীক লৈ কিয় ইমান ভয় খাই আছ বাবা, ভয় তই খোৱাহে দেখিলোঁ। ভাবুকি মোক দিছে, তই ভয় খাই আছ।'

# মায়ঙত কৃষি তথ্য কেন্দ্ৰ মুকলি

**ই-সংবাদ, মৰিগাঁও, ১ মাৰ্চঃ** মৰিগাঁও জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মায়ং আঞ্চলিক মহাবিদ্যালয়ত আজি এটা কৃষি তথ্য কেন্দ্ৰ এটা মুকলি কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতক শাখাৰ চতুৰ্থ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা আঁচনিৰ অধীনত স্থাপিত কেন্দ্ৰটো মুকলি কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ কৌশিক দাসে। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত ভাষণ আগবঢ়াই অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ কৌশিক দাসে। গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা আঁচনিখন কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ অন্তভুৰ্ক্ত এটা বিষয় বুলি কয় দাসে। শ্ৰেণী কোঠা আৰু গৱেষণাগাৰত থাকি ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ জ্ঞান অৰ্জন কৰে। কিন্তু কৃষকৰ দৈনন্দিন জীৱন যাত্ৰা, কৃষি পদ্ধতি আৰু পথাৰৰ জ্ঞান অসম্পূৰ্ণ হৈ ৰয়। সেইখিনি জ্ঞান আহৰণৰ বাবেই কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন জিলাৰ কৃষকৰ সৈতে ভাৱৰ আদান-প্ৰদান কৰিবলৈ আৰু বাস্তৱ অভিজ্ঞতা ল'বৰ বাবে পথাৰলৈ পঠোৱা হয় বুলিও কয় ড০ কৌশিক দাসে। অনুষ্ঠানত কৃষি বিশ্ববিদ্যালয়ৰ ডীন ড০ প্ৰসন্ন কুমাৰ পাঠক, আদৰ্শ কৃষক পদ্মেশ্বৰ নাথ, ড০ বসন্ত কুমাৰ বৰা, ড০ সুপ্ৰিয় সোণোৱাল, ঝাৰগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সপ্তদ্বীপা ভট্টাচাৰ্য্য, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মহানন্দ বৰা, প্ৰাক্তন অধ্যক্ষ ড০ ফণীভূষণ নাথ আৰু সুকণ্যা গগৈ উপস্থিত থাকে। অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী প্ৰিয়ম হাজৰিকা আৰু মোস্তাফা হাছানে সভাখনৰ আঁতধৰে।

# বিলাতী সুৰা জব্দ

**ই-সংবাদ, লাহৰীঘাট, ০১ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। লাহৰীঘাট বজাৰৰ ডাকঘৰৰ সমীপতে অবৈধভাৱে মজুত ৰখা বিলাতী সুৰা ৰাইজৰ সহযোগত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। আজি হঠাতে আৰক্ষীয়ে অভিযান চলাই প্ৰায় ১৫ কাৰ্টুন অবৈধ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয় যদিও ছাহজাহান আলী পলায়ন কৰে।

## টিকটক লৈ আৰম্ভ ব্যাপক জল্পনা-কল্পনা

# নগাঁৱত ৰঞ্জিত মজুমদাৰক বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী

**ই-সংবাদ, ১ মাৰ্চ, মৈৰাবাৰীঃ** নগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী গৰম বতাহ বলিব ধৰিছে। কংগ্ৰেছৰ হাতত থকা নগাঁও লোকসভা সমষ্টিত সকলো দলৰ নেতা-কৰ্মীয়ে প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। কিন্তু তেনে সময়তে শাসকীয় বিজেপিৰ প্ৰাৰ্থীত্বক লৈ আৰম্ভ হৈছে ব্যাপক জল্পনা-কল্পনা। নগাঁও লোকসভা সমষ্টিত বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী ৰূপে সুৰেশ বৰাৰ নাম প্ৰকাশ পোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ১৯৯২ চনৰ পৰা বিজেপিত সক্ৰিয় ৰঞ্জিত মজুমদাৰক টিকট লাভ কৰিব বুলি অনুমান কৰিছিল একাংশ বিজেপিৰ কৰ্মীয়ে। বিজেপি দলত বিভিন্ন দায়িত্ব পালন কৰি অহা ৰঞ্জিত মজুমদাৰক বিজেপিৰ নিষ্ঠাবান নেতা ৰূপে জনা যায়। ১৯৯২ চনৰ পৰা ২০০৬ চনলৈ ৰাজ্যিক কাৰ্যালয় সম্পাদক, ১৯৯৫ চনৰ পৰা ২০০৬ চনলৈ উত্তৰ-পূৰ্বাঞ্চলৰ সংযোজক, নাগালেণ্ড আৰু মিজোৰামৰ ৰাজ্যিক ৰিৰ্টাৰ্ণীং অফিচাৰ, অসম প্ৰদেশ যুৱ মৰ্চাৰ সম্পাদক, ২০০৩-২০০৪ চনত মঙলদৈ লোকসভাৰ তত্বাৱধায়কৰ দায়িত্ব পালন কৰিছিল মজুমদাৰ। ইমানে নহয় ২০০৬ৰ পৰা ২০১৬ চনলৈ ৰাজ্যিক সংযোজক, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিশেষ কৰ্তব্যৰত বিষয়া আৰু বৰ্তমান প্ৰদেশত কায্যনিৰ্বাহক হৈ আছে মজুমদাৰ। গাঁওৰক্ষী বাহিনীৰ মুখ্য উপদেষ্টা হিচাপেও ৰঞ্জিত মজুমদাৰে সেৱা আগবঢ়াই আহিছে। বিজেপি দলৰ সৰ্মপিত নেতা ৰূপে পৰিচিত মজুমদাৰক নগাঁও সংসদীয় সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব দিয়াৰ আহ্বান জনাইছে একাংশ বিজেপিৰ নেতা-কৰ্মীয়ে।



'শিলচৰত কান্দি কান্দি মহিলাই ক'লে মোৰ ভূমি মাফিয়াই দখল কৰিছে।' ২৪ ঘণ্টাৰ ভিতৰত ব্যৱস্থা ল'বলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

# মৈৰাবাৰীৰ বিদ্যানগৰৰ 'পদপথত পুথিভঁৰাল' উদ্বোধন

**ই-সংবাদ, ১ মাৰ্চ, মৈৰাবাৰীঃ** পঢ়াই, পঢ়ে, ৰোৱে পাণ। এই তিনিয়ে নিচিন্তে আন। এই কথাকে সাৰোগত কৰি আজি মৰিগাঁও জিলাৰ মৈৰাবাৰী বিদ্যানগৰত 'পদপথত পুথিভঁৰাল' নামেৰে স্থাপিত এটা পুথিভঁৰাল মুকলি কৰা হয়। ছপা গ্ৰন্থ পঢ়ুৱৈৰ সংখ্যা দিনে দিনে হ্ৰাস পোৱাত পদপথত গ্ৰন্থাগাৰ মুকলি কৰি ছপা গ্ৰন্থৰ প্ৰতি মানুহক আকৰ্ষিত কৰিবলৈ প্ৰয়াস কাৰ হৈছে। কিতাপ পঢ়ুৱৈসকলৰ বাবে এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰে মৈৰাবাৰীৰ যুৱক আবুল হুছেইনে। 'পদপথত পুথিভঁৰাল' নামেৰে মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত পুথিভঁৰালটো স্থাপন কৰা হৈছে। পুথিভঁৰালটো মৈৰাবাৰী মহাবিদ্যালয়ৰৰ অধ্যক্ষ ৰিয়াজুল হকে মুকলি কৰে। অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল গফুৰ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক মইদুল ইছলামকে ধৰি বহুকেইজন গণ্যমাণ্য ব্যক্তি।

## ২০১৯ৰ অগ্নিগৰ্ভা গুৱাহাটীৰ ভিডিঅ’ পোষ্ট ডিজিপিৰ

# প্ৰতিবাদৰ অধিকাৰ বিচৰা নেতাক জি পি সিঙৰ প্ৰত্যুত্তৰ

**ই সংবাদ, ১মাৰ্চঃ** সামাজিক মাধ্যমত পুনৰ সক্ৰিয় হৈ পৰিছে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিং৷ নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ৰাজ্যৰ ঠায়ে ঠায়ে প্ৰতিবাদ আৰম্ভ হোৱাৰ লগতে বিভিন্ন দল-সংগঠনে আন্দোলন ঘোষণা কৰাত সামাজিক মাধ্যমত সক্ৰিয় দেখা যায় আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙক৷ এদিন পূৰ্বে বন্ধ ঘোষণা কৰা দল-সংগঠনে ১৬৪৩ কোটি টকা ক্ষতিপূৰণ ভৰিব লাগিব বুলি ইংগিত দিয়াৰ পাছতে তীব্ৰ সমালোচনাৰ সন্মুখীন হোৱা জি.পি সিঙে এইবাৰ ২০১৯ চনৰ গণ আন্দোলনৰ ভিডিঅ’ শ্বেয়াৰ কৰি সকীয়নি প্ৰদান কৰিছে৷ ২০১৯ চনৰ প্ৰতিবাদৰ সময়ৰ হিংসাত্মক পৰিস্থিতিৰ ভিডিঅ’ শ্বেয়াৰ কৰি কঠোৰ সকীয়নি প্ৰদান কৰা দেখা গৈছে৷ ২০১৯ চনৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ’ব নিদিয়াৰ হুংকাৰ দি জি.পি সিঙে আন্দোলন‘ কৰাৰ অধিকাৰৰ কথা কোৱাসকলক উভতি ধৰে৷ জি.পি সিঙে সামাজিক মাধ্যমত ২০১৯ চনৰ উগ্ৰ আন্দোলনৰ ভিডিঅ’ শ্বেয়াৰ কৰি কয় ‘কিছুমান লোকে প্ৰতিবাদ কৰাৰ অধিকাৰৰ বিষয়ে কৈছে৷ বহুলোকে ‘ভয়াৱহ আন্দোলন-ভয়ংকৰ আন্দোলন’ কৰিম বুলি কৈছে৷ মই ২০১৯ চনৰ ডিচেম্বৰত ব্যৱহাৰ হোৱা শব্দৰে কৰা আন্দোলনৰ স্মৃতি সজীৱ কৰিব বিচাৰিছো। ভাঙি পেলোৱা আৰু অগ্নিসংযোগ কৰা হৈছিল৷ যাৰ ভিতৰত পৱিত্ৰ শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰও আছিল। অসম আৰক্ষীয়ে ২০২৪ চনত একে কাণ্ড হ'বলৈ নিদিয়ে। আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী বাহিনীৰ মুৰব্বী হিচাপে পৰিস্থিতিৰ বিষয়ে লোকসকলক সজাগ কৰাটো মোৰ কৰ্তব্য।’’ ডিজিপি জি.পি সিঙে আন্দোলন ঘোষণা কৰা দল-সংগঠনক আকৌ এবাৰ প্ৰত্যাহ্বান জনাইছে৷ যদি ২০১৯ চনৰ দৰে উগ্ৰ আন্দোলন কৰা হয় তেন্তে কঠোৰ হাতেৰে আন্দোলন দমন কৰাৰ ইংগিত দিছে আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে৷ বৃহস্পতিবাৰে কেইবাজনো জাতীয় সংগঠনৰ নেতাক গ্ৰেপ্তাৰ কৰা হৈছে৷ তিনিচুকীয়াত প্ৰতিবাদকাৰীক বৰ্বৰভাবে প্ৰহাৰ কৰা হৈছে৷ আৰক্ষীৰ এনে পদক্ষেপৰ দ্বাৰা প্ৰমাণ হয় যে এইবাৰ আন্দোলনকাৰীক বিৰুদ্ধে অত্যন্ত কঠোৰ হ’ব অসম আৰক্ষী৷ কিয়নো ইতিমধ্যে সমগ্ৰ অসমৰ আৰক্ষী থানা সমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে৷ আৰক্ষীৰ ছুটী বাতিল কৰা হৈছে৷ কন্দুৱা গেছ, বাহন, লাঠি আদি মজুত ৰাখিবলৈও নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে৷ মুঠৰ ওপৰত আন্দোলন দমন কৰি হলেও অসমক নাগৰিকত্ব সংশোধীন আইনৰ আওতাত ৰাখিব কেন্দ্ৰীয় চৰকাৰে৷

# ‘কা’ৰ বিৰুদ্ধে যুৱ-ছাত্ৰ পৰিষদৰ আন্দোলন ঘোষণা

**ই সংবাদ, ১মাৰ্চঃ** অৱশেষত অসমৰ দুয়োটা জাতীয় সংগঠন পলমকৈ হ’লেও কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰিব খোজা কাৰ্যৰ বিৰুদ্ধে আন্দোলন ঘোষণা কৰিছে৷ এদিন পূৰ্বে সদৌ অসম ছাত্ৰ সন্থাই আন্দোলন ঘোষণাৰ পাছতে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে৷ আজি গুৱাহাটীত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে সংবাদমেল যোগে ধাৰাবাহিক আন্দোলনৰঘোষণা কৰে৷ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত মৰ্মে সংগঠনটোৱে আন্দোলনৰ কাৰ্যসূচী ঘোষণা



কৰা বুলি উল্লেখ কৰে সভাপতি পলাশ চাংমাই৷ সভাপতি পলাশ চাংমায়ে কয় যে, অসমীয়া জাতিৰ অস্তিত্ব সংকট পৰিব পৰা কোনো কাৰ্য কৰিব দিয়া নহ’ব৷ বিদেশী সংস্থাপন কৰিব দিয়া নহ’ব৷ আইন বলব ৎ কৰিলে অসমত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ’ব৷ মই চৰকাৰক সকীয়াই দিছো অসমৰ থলুৱা লোকৰ জীৱনৰ সৈতে খেলা নকৰিব৷ ‘কা’ বলবৎ হ’লে প্ৰতিবাদ হৈ থাকিব৷ সংগঠনটোৱে যদি কা’ বলবৎ হয় উক্ত দিনাই সকলো আঞ্চলিক সমিতিয়ে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু ‘কা’ৰ কপি দাহ কৰিব৷ ৫ মাৰ্চত প্ৰতিটো মহকুমা সদৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰি ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰদান কৰা হ’ব৷ ৭ মাৰ্চত প্ৰতিখন জিলাৰ সদৰত গণ অৱস্থান কাৰ্যসূচী ৰূপায়ন কৰা হ’ব৷ পৰৱৰ্তী সময়ত ধাৰাবাহিক কাৰ্যসূচী পালন কৰি যোৱাৰ ঘোষণা কৰে এ জে ৱাই চি পিয়ে।

## ৰাজভৱনত প্ৰধানমন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰী মমতাৰ

# দুদিনৰ সময় লৈ পশ্চিমবংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



**ই সংবাদ, ১মাৰ্চঃ** সন্মুখত লোকসভা নিৰ্বাচন, গতিকে সুযোগ এৰিবই বা কিয়! সেয়ে পশ্চিম বংগত ভৰি থৈয়ে সন্দেশখালী গোচৰক লৈ ৰাজ্যখনৰ শাসকীয় তৃণমূল কংগ্ৰেছক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। অবিজেপি শাসিত ৰাজ্যখনত নিৰ্বাচনী ৰণডংকা বজাই শুকুৰবাৰে তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰে প্ৰধানমন্ত্ৰী মোদী। উল্লেখ্য যে, দুদিনীয়া ভ্ৰমণসূচীৰে আজি পশ্চিমবংগত উপস্থিত হৈছে নৰেন্দ্ৰ মোদী। এই ভ্ৰমণকালত বংগত ৭২০০ কোটি টকাৰ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। কিন্তু তাৰ পূৰ্বে আজি আৰামবাগত এখন জনসভা সম্বোধন কৰে মোদীয়ে। এই জনসভাত সন্দেশখালী গোচৰৰ মূল অভিযুক্ত তথা তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা শ্বাহজাহান শ্বেইখৰ প্ৰসংগ উত্থাপন কৰি মোদীয়ে কয় যে প্ৰায় দুমাহ ধৰি মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। কোনোৱে অভিযুক্তজনক ৰক্ষণাবেক্ষণ প্ৰদান কৰাৰো অভিযোগ উত্থাপন কৰে প্ৰধানমন্ত্ৰীয়ে। তেওঁ কয় যে তেওঁ কয় যে সন্দেশখালীৰ ভগ্নীসকলৰ লগত টিএমচিয়ে কি কৰিলে সেয়া দেখি সমগ্ৰ দেশ ক্ষুব্ধ হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'কো আক্ৰমণ কৰি কয় যে সন্দেশখালীত সংঘটিত অত্যাচাৰৰ প্ৰতি বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ নেতাসকল মৌন হৈ থকা দেখি মই লাজ পাইছো। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সন্দেশখালীত ভগ্নী-কন্যাৰ সৈতে টিএমচিৰ নেতাগৰাকীয়ে সাহসৰ সকলো সীমা অতিক্ৰম কৰিলে। সন্দেশখালীৰ ভগ্নীসকলে যেতিয়া মাত মাতি মমতা দিদিৰ পৰা সহায় বিচাৰিলে, তাৰ বিনিময়ত বংগ চৰকাৰে নিজৰ সকলো শক্তি ব্যৱহাৰ কৰি টিএমচি নেতাজনক বচালে। কিন্তু বিজেপিৰ হেঁচাত অৱশেষত কালি তেওঁক গ্ৰেপ্তাৰ কৰিলে বংগ আৰক্ষীয়ে। তেওঁ কয় যে মা, মাটি, মানুষৰ ঢোল বজোৱা টি এম চিয়ে সন্দেশখালীত মাতৃ-ভগ্নীক লৈ কি কৰিছে সেয়া দেখি সমগ্ৰ দেশ দুখী আৰু ক্ষোভিত হৈ পৰিছে। আগন্তুক লোকসভা নিৰ্বাচনত পশ্চিম বংগত এইবাৰ বিজেপিৰ বিজয় নিশ্চিত বুলি দাবী কৰি মোদীয়ে কয় যে মোৰ এটা নিশ্চয়তা আছে, বংগবাসীক প্ৰতিশ্ৰুতি দিছো যে যিসকলে লুণ্ঠন কৰিছিল তেওঁলোকক ঘূৰাই দিব লাগিব, এইজন মোদী যাবলৈ যোৱা নাই। তেওঁলোকৰ গালি-গালাজ আৰু আক্ৰমণক ভয় নকৰে মোদীয়ে। তেওঁ কয় যে যিজনে দুখীয়াক লুণ্ঠন কৰিছে তেওঁ ঘূৰাই দিব লাগিব।প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিমবংগৰ জনসাধাৰণক আহ্বান জনাই কয় যে লোকসভা নিৰ্বাচনত ইয়াত সকলো আসনত পদুম ফুলিব লাগিব। টিএমচি গৌৰৱ অনুভৱ কৰিছে যে তেওঁলোকৰ এটা নিশ্চিত ভোট বেংক আছে, এইবাৰ টি এম চিৰ এই গৌৰৱো ভাঙি যাব। তৃণমূল কংগ্ৰেছক দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তৃণমূল কংগ্ৰেছ জীৱনৰ সকলো ক্ষেত্ৰতে - চৰকাৰী চাকৰিৰ নিযুক্তিৰ পৰা আৰম্ভ কৰি গৰু সৰবৰাহলৈকে দুৰ্নীতিৰ সৈতে জড়িত। ইফালে তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰীৰ এই সৰৱ আক্ৰমণৰ পিছতে সন্ধিয়া ৰাজভৱনত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। পিছত এয়া এক কেৱল সৌজন্যতামূলক সাক্ষাৎ বুলি মন্তব্য কৰি মমতা বেনাৰ্জীয়ে কয় যে এই সাক্ষাতৰ সময়ত তেওঁ পশ্চিম বংগক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় প্ৰধানমন্ত্ৰীৰ সন্মুখত উত্থাপন কৰিছে। বৈঠকৰ অন্তত সাংবাদিকৰ আগত বেনাৰ্জীয়ে কয় যে মই প্ৰধানমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হোৱাৰ সময়ত তেওঁৰ লগত সাধাৰণ কথা-বতৰা পতাৰ উপৰিও সমস্যাসমূহ উল্লেখ কৰিছো।

## শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোছাৰ বিভাগৰ নতুন প্ৰযুক্তি উদ্ভাৱন

# বাঁহৰ খুঁটা, গছৰ ডালত তাঁৰ বান্ধি বিদ্যুৎ সৰবৰাহ



**ভাৰত-ভূটান সীমান্তৰ পৰা পৱন নাথ, ১মাৰ্চঃ** শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোছাৰ শক্তিবিভাগৰ কাৰু-কাৰ্যৰ কথা কৈ শেষ কৰিবই নোৱাৰি। অকৰ্মণ্য মন্ত্ৰী ৰূপে খ্যাতি লাভ কৰা নন্দিতা গাৰ্লোছাই শক্তি বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছতে বিদ্যুৎ বিল বৃদ্ধিয়ে ৰেকৰ্ড গঢ়াৰ লগতে বিদ্যুতৰ সঘন আহ-যাহ সাধাৰণ ঘটনাত পৰিণত হৈছে। বতাহ বলিবলৈ আৰম্ভ কৰিলেই উধাও হয় বিদ্যুৎ। এইবাৰ আকৌ বিদ্যুৎ বিভাগৰ নতুন আজৱ প্ৰযুক্তি পোহৰলৈ আহিছে। গছৰ ডালে ডালে বিদ্যুতৰ তাঁৰ লগাই সৰবৰাহ কৰা হৈছে বিদ্যুৎ। ভাৰত-ভূটান সীমান্তত বিদ্যুতৰ খুঁটাৰ অভাৱত গছৰ ডালত তাঁৰ বান্ধি বিদ্যুৎ সৰবৰাহ কৰা হৈছে। ডিমাকুছিৰ শুক্লাই, সমবায় বস্তি, নালাপাৰা, ২নং বৰঙাজুলি সমবায় বস্তি, বগৰীতলত আজিও বাঁহ আৰু গছৰ ডালত তাঁৰ বান্ধি বিপজ্জনকভাৱে বিদ্যুৎ সৰবৰাহ কৰা হৈছে। ২৪ ঘণ্টাই বিদ্যুৎ যোগানৰ প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ বিজেপি চৰকাৰে আকাশলংঘী বিল বৃদ্ধি কৰি গ্ৰাহকক মাধমাৰ শোধাই অহাৰ সময়তে বিদ্যুৎ যোগানৰ সু-ব্যৱস্থা কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন হৈছে। এই দৃশ্যই আতংকিত কৰিছে ৰাইজক। বতাহত গছ উঘালি পৰিলে ভয়ংকৰ কাণ্ড সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। ডিমাকুছিৰ বহু ঠাইত বিদ্যুতৰ পকী খুঁটাৰ অভাৱত গছৰ ডাল, বাঁহৰ খুঁটাত তাঁৰ গাঁঠি বিদ্যুৎ সৰবৰাহ কৰা হৈছে। এনে বিপদসংকুল বিদ্যুৎ সংযোগে বহু সময়ত বিপদ সংঘটিত হোৱা বুলিও জানিব পৰা গৈছে। আকৌ বাৰিষাকালত যিকোনো সময়তে ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা দেখা গৈছে। তথাপিও কানসাৰ নাই বিয়াগোম বিদ্যুৎ বিভাগৰ। গছ, বাঁহৰ খুঁটাতেই বছৰ বছৰ ধৰি বিদ্যুৎ সৰবৰাহ কৰি থকা হৈছে। উল্লেখ যে, ডিমাকুছিৰ বগৰীতল, নালাপাৰা, বৰঙাজুলি, ৰজাগড় আদি এলেকা বন্যহস্তীৰ মুক্ত বিচৰণস্থলী। এনেধৰণৰ বিদ্যুৎ সংযোগৰ ফলত বিদ্যুৎৰ তাঁৰত লাগি যিকোনো মুহূৰ্ততে বন্যপ্ৰাণী আৰু মানুহৰো মৃত্যু হ'ব পাৰে। চৰকাৰে কৰ সংগ্ৰহৰ বাবে গাঁৱে-ভূৱে স্মাৰ্ট মিটাৰ সংযোগ কৰি আহিছে, আনফালে পকী খুঁটাৰে বিদ্যুৎ সংযোগ দিব পৰা নাই গ্ৰাহকক। ৰাইজে দীৰ্ঘদিন ধৰি বিদ্যুৎ বিভাগক আবেদন জনাই আহিছে যদিও গা লৰা নাই বিভাগটোৰ। ওদালগুৰি জিলাৰ টংলা বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত বৃহত্তৰ ডিমাকুছিৰ বিস্তীৰ্ণ অঞ্চলত আজিও ৰাইজে গছ, বাঁহৰ খুঁটাৰে বিদ্যুৎ সংযোগ কৰিবলগীয়া হোৱা ঘটনাই বিয়াগোম বিভাগটোৰ স্বৰূপ উদঙাই দিছে বুলি কয় সচেতনমহলে।

# বাংগালুৰুত কেফেত ভয়ংকৰ বিস্ফোৰণ, আহত ৯জন

**ই সংবাদ, ১মাৰ্চঃ** বাংগালুৰুৰ এখন জনপ্ৰিয় কেফেত বৃহস্পতিবাৰে দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ বিস্ফোৰণৰ ঘটনা। পৰৱৰ্তী সময়ত এই বিস্ফোৰণটোৰ বিষয়ে অধিক তথ্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই কয় যে এই বিস্ফোৰণটো প্ৰকৃততে এটা আইইডি বিস্ফোৰণ আছিল আৰু বিস্ফোৰণৰ ফলত ৯ জন লোক আহত হৈছে। উল্লেখ্য যে, বৃহস্পতিবাৰে দুপৰীয়া প্ৰায় ১২.৩০বজাত বাংগালুৰুৰ কুণ্ডুলাহল্লীস্থিত ৰামেশ্বৰম কেফে নামৰ এখন জনপ্ৰিয় ৰেষ্টুৰেণ্টত সংঘটিত হয় এই বিস্ফোৰণ কাণ্ড। প্ৰথমাৱস্থাত এয়া চিলিণ্ডাৰ



বিস্ফোৰণ বুলি অনুমান কৰা হ'লেও পিছত আইইডি বোমা বিস্ফোৰণ বুলি নিশ্চিত হয় আৰক্ষী। কেফেখনৰ স্বত্বাধিকাৰ নাগাৰাজে জানিবলৈ দিয়া মতে, এজন গ্ৰাহকে এৰি থৈ যোৱা বেগত সংঘটিত হয় এই বিস্ফোৰণটো। বিস্ফোৰণৰ পিছতে সমগ্ৰ অঞ্চলটোত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। ঘটনাৰ পিছতে সন্ত্ৰাসবাদ বিৰোধী ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এনআইএ), বোমানিষ্কাশন দল আৰু ফৰেনছিক দল কেফেখনত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। কিছু সময়ৰ পিছতে মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই এই বিস্ফোৰণ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে আই ই ডি বিস্ফোৰণটো কোনে সংঘটিত কৰিছিল তাৰ তদন্ত আৰম্ভ কৰা হৈছে। আহত সকলৰ আটাইকেইজনেই সংকটমুক্ত বুলিও জানিবলৈ দিয়ে মুখ্যমন্ত্ৰীয়ে।

# মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বৈজ্ঞানিক পৰামৰ্শদাতা সমিতিৰ সপ্তম বৈঠক সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট, ১ মাৰ্চঃ** মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বৈজ্ঞানিক পৰামৰ্শদাতা সমিতিৰ সপ্তমখন বৈঠক আজি জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত কেইবাগৰাকীও বিজ্ঞানী, বিভিন্ন বিভাগৰ সঞ্চালক আৰু বিভাগৰ মুৰব্বীয়ে অংশগ্ৰহণ কৰে৷ কৃষকসকলৰ বাবে প্ৰয়োজনীয় তথ্য উত্থাপন কৰি আলোচনা কৰা হয়৷ বৈঠকত মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ কাৰ্য ব্যৱস্থা গ্ৰহণ সম্পৰ্কীয় প্ৰতিবেদন, বাৰ্ষিক অগ্ৰগতিৰ প্ৰতিবেদন আৰু ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনা সন্দৰ্ভতো আলোচনা কৰা হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কৃষিপ্ৰধান জিলাখনৰ কৃষিখণ্ডৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত কৃষি বিজ্ঞান কেন্দ্ৰই আগবঢ়োৱা অৱদানৰ বাবে বিজ্ঞানী আৰু প্ৰতিগৰাকী বিষয়-ববীয়া তথা কৰ্মীক কৃতজ্ঞতা জ্ঞাপন কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে উপযুক্ত প্ৰশিক্ষণ অবিহনে কোনো খেতিয়কে কৃষিখণ্ডত নিজৰ সামৰ্থ্য বৃদ্ধি কৰিব নোৱাৰে। এনে প্ৰেক্ষাপটত কৃষি বিজ্ঞান কেন্দ্ৰই জিলাখনৰ কৃষক আৰু কৃষক গোটসমূহক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰি আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এতিয়া সমগ্ৰ দেশৰেই মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধি পাইছে। এনে পৰিস্থিতিত অসমেও মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাটো তান্তই জৰুৰী হৈ পৰিছে। দেশৰ বিকাশৰ অংশীদাৰ হ'বলৈ সামগ্ৰী আৰু সেৱাৰ মান উন্নত কৰিব লাগিব। কৃষকসকলক উন্নত প্ৰশিক্ষণ আৰু উপযুক্ত গৱেষণাৰ প্ৰয়োজন। তেওঁ খেতিয়কসকলকো প্ৰশিক্ষণ গ্ৰহণৰ ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায় জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই৷ মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰু ভাৰপ্ৰাপ্ত মুৰব্বী সপ্তদ্বীপা ভট্টাচাৰ্যৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে। সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ ডঃ প্ৰবোধ বৰা আৰু ডঃ ৰঞ্জিত কুমাৰ সাউদ, বিশিষ্ট বিজ্ঞানী ডঃ বাগেশ কুমাৰ, ৰহা মীন মহাবিদ্যালয়ৰ ডীন ডঃ প্ৰদীপ চন্দ্ৰ ভূঞা, অসম কৃষি বিশ্ববিদ্যালয়ৰ মুখ্য বিজ্ঞানী ডঃ হিৰণ্য কুমাৰ বৰা উপস্থিত আছিল।

# টেংকিবস্তী আঞ্চলিক ৰঙালী সন্মিলনীৰ ৰূপালী জয়ন্তীৰ প্ৰস্তুতি

**ই-সংবাদ, শুক্ৰবাৰ, ১ মাৰ্চঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ টেংকিবস্তীত এইবেলি ৰঙালী বিহুৰ ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা হ'ব। টেংকিবস্তী আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে পালন কৰি অহা বিহু উৎসৱে ২৫টা বসন্ত অতিক্ৰম কৰাত এইবেলি ৰূপালী জয়ন্তী পালনৰ ব্যাপক প্ৰস্তুতি চলিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি টেংকিবস্তীত অহা ১৪, ১৫ আৰু ১৬ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা হ'ব। ইতিমধ্যে প্ৰদীপ কুমাৰ ডেকাক সভাপতি, নৰ বাহাদুৰ ছেত্ৰী আৰু নাৰায়ণ ডেকাক উপ-সভাপতি, ধৰণী ৰাভাক কাৰ্য্যকৰী সভাপতি, তিলক ডেকাক সাধাৰণ সম্পাদক আৰু চিকন্দৰ ডেকাক সহঃসম্পাদ হিচাপে লৈ কেইবাখনো উপ-সমিতি গঠনেৰে আদৰণি সমিতি গঠন কৰা হৈছে। পতাকা উত্তোলন, শ্বহীদ তৰ্পন, বৃক্ষৰোপণ, খেলধেমালি প্ৰতিযোগিতা, সাহিত্যপ্ৰতিযোগিতাত, বিহুগীত, বিহু নৃত্য প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, মুকলি বিহু প্ৰতিযোগিতা, বিহু হুচৰি প্ৰতিযোগিতা, জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন, সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা, স্মৃতিগ্ৰন্থ উন্মোচন, সাংস্কৃতিক সন্ধিয়া আনুষ্ঠিত হ'ব। ৰঙালী বিহু সন্মিলনীত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# অনুজ্ঞাপত্ৰ বিহীন কচাই খানাৰে ভৰিছে মৈৰাবাৰী

**ই-সংবাদ, ২৯ ফেব্ৰুৱাৰী, মৈৰাবাৰীঃ** বিজেপি চৰকাৰৰ দিনত অবৈধ কচাই খানাৰে ভৰি পৰিছে মৈৰাবাৰী অঞ্চল। হিন্দু বসতি প্ৰধান অঞ্চলত মন্দিৰ আৰু সত্ৰৰ পৰা ৫ কিলোমিটাৰৰ ভিতৰত গো-মাংস কাটি বিক্ৰী কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। কিন্তু মৈৰাবাৰীৰ একাংশ ব্যৱসায়ীয়ে গো মাংসৰ অবৈধ ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। মৈৰাবাৰী বজাৰৰ সমীপতে শ্ৰী শ্ৰী অলিপুখুৰী পাতেকীবৰী সত্ৰৰ পৰা মাত্ৰ ডেৰ কিলোমিটাৰ, মৈৰাবাৰী বজাৰস্থিত বুঢ়া নামঘৰৰ পৰা মাত্ৰ এক কিলোমিটাৰৰ ভিতৰত কেইবাখনো গোমাংসৰ দোকান অবৈধভাবে চলি আহিছে। আনহাতে মৈৰাবাৰী মৰিগাঁও-মৈৰাবাৰী- দলৈগাঁও গড়কাপ্তানি পথৰ দাঁতিৰ বজাৰত নিতৌ গোধন কাটি বিক্ৰী কৰা হয়। ফলত এক দুৰ্গন্ধময় পৰিবেশৰ বাবে সাধাৰণ ৰাইজে নিতৌ সমস্যাত পৰে। অঞ্চলটোত দহখনৰো অধিক অবৈধ গো মাংস দোকানত দৈনিক শতাধিক গোধন নিধন কৰা হয়। অনুজ্ঞাপত্ৰবিহীন মাংস দোকানীৰ ৰমৰমীয়া ব্যৱসায় বন্ধ কৰিবলৈ ৰাইজে প্ৰশাসনক দাবী জনাইছে।



বড়ো চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰাৰ দাবী, দিল্লীত প্ৰমোদ বড়ো আৰু এবছুৰ প্ৰতিনিধিৰ অমিত শ্বাহক সাক্ষাৎ

# শেষ পৃষ্ঠা

## গোৱাৰ বিৰুদ্ধে ড্ৰ’

# সন্তোষৰ কোৱাৰ্টাৰত অসম

**নাহৰলাগুণ, ১ মাৰ্চঃ** লীগৰ অন্তিমখন মেছত শক্তিশালী গোৱাৰ বিৰুদ্ধে ড্ৰ খেলি অসমে সন্তোষ ট্ৰফীৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলতন ৩-৩ গ'লত ড্ৰ ৰূপে সমাপ্ত হয়। মাত্ৰ তিনি মিনিটতে গ'ল হজম কৰিব লগীয়া হোৱা অসমৰ মেছখনত প্ৰত্যাৱৰ্তন আছিল চকুত লগা ধৰণৰ। চাপত থকা অসমে দ্বিতীয়টো গ'ল খাই খেলৰ ১২ মিনিটত। ইয়াৰ পিছত খেলৰ সমীকৰণ সলনি হয়। অসমে প্ৰথম আৰ্ধতে সমতা স্থাপন কৰে। প্ৰথম আৰ্ধৰ খেল ২-২ স্ক'ৰত সামৰণি পৰে। দ্বিতীয় আৰ্ধৰ আৰম্ভণিতে অসমে অগ্ৰগতি লাভ কৰে। মেছৰ অন্তিম মুহূৰ্তত গোৱাই স্ক'ৰ কৰাত ৩-৩ গ'ল খেলখন সামৰণি পৰে। গোৱাৰ হৈ এল কাৰ্ডজো (৩), ক'লাকো ডেল্টন (১২) আৰু জ'চহুৱা ডি চিলভাই (৮৯) গ'ল দিয়ে। অসমৰ হৈ প্ৰজ্ঞান গগৈ (২৭), সুদীপ্ত কোঁৱৰ (৪৫) আৰু মিলন বসুমতাৰীয়ে (৫৬) স্ক'ৰ কৰে। মাত্ৰ ১৭ বছৰত ভৰি দিয়া সুদীপ্ত কোঁৱৰৰ খেলে আজি সকলোৰে মন জয় কৰিবলৈ সক্ষম হৈছে। গ্ৰুপ 'এ' সাত পইণ্টৰ চতুৰ্থ স্থানত থাকি কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে অসমে।

# ভূটানৰ বিৰুদ্ধে বৃহৎ জয়

**কাঠমাণ্ডু, ১ মাৰ্চঃ** ছোৱালীৰ ১৬ বছৰ অনুৰ্দ্ধ চাফ ফুটবলত ভাৰতীয় দলে ভূটানক ৭-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ এই জয়ৰ মূলত ১৩ বছৰীয়া অনুক্ৰা কুমাৰীৰ হেট্ৰিক। অনুক্ৰাৰ উপৰিও পাৰ্ল ফাৰ্ণাণ্ডেজে দুটা, শ্বেতা ৰাণী আৰু পৰিৱৰ্তিত খেলুৱৈ অনিতা ৰঘুৰমনে এটাকৈ গ'ল স্ক'ৰ কৰে। ভাৰতীয় দলটোৰ এই সফলতাৰ পাছতে সামাজিক মাধ্যম যোগে শুভেচ্ছাৰ বৰষুণ বৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

# আমেৰিকা লগতে মিত্ৰ দেশসমূহলৈ ৰঙা চকু পুটিনৰ

**ই সংবাদ, ১মাৰ্চঃ** এইবাৰ আমেৰিকা আৰু ইয়াৰ মিত্ৰ দেশসমূহলৈ ৰঙা চকু পুটিনৰ। বৃহস্পতিবাৰে ৰাছিয়াৰ সংসদৰ পৰা দেশবাসীক সম্বোধন কৰি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ মিত্ৰ দেশসমূহক পাৰমানৱিক যুদ্ধৰ ভাবুকি প্ৰদান কৰিলে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে। নাটো দেশসমূহে ইউক্ৰেইনলৈ সেনা প্ৰেৰণ কৰি পাৰমানৱিক যুদ্ধ হ'ব পাৰে বুলি সকীয়নি প্ৰদান কৰে পুটিনে। ৰাছিয়াৰ সংসদত দেশবাসীক সম্বোধন কৰাৰ সময়ত পুটিনে কয় যে ৰাছিয়াৰ আভ্যন্তৰীণ বিষয়ত কাকো হস্তক্ষেপ কৰিবলৈ দিয়া নহয়। তেওঁ কয় যে কোনোৱে ৰাছিয়াক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিলে ভয়াৱহ পৰিণতিৰ সন্মুখীন হ'ব লাগিব। সেয়া দ্বিতীয় বিশ্বযুদ্ধতকৈও ভয়াৱহ হ'ব। পুটিনে লগতে কয় যে বেছিভাগ ৰাছিয়াৰ নাগৰিকে ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ “বিশেষ সামৰিক অভিযান”ক সমৰ্থন কৰে। ইয়াৰ উপৰিও সেনাৰ শক্তি এতিয়া বহুগুণে বৃদ্ধি পাইছে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দুসপ্তাহ পূৰ্বে সংসদত ভাষণ দি এইদৰে মন্তব্য কৰে ভ্লাদিমিৰ পুটিনে। বিগত এটা দশকৰো অধিক সময় ধৰি ৰাছিয়াত ক্ষমতা দখল কৰি থকা ৰাষ্ট্ৰপতি পুটিনে দাবী কৰে যে পশ্চিমীয়া দেশসমূহে ৰাছিয়াক ভিতৰৰ পৰা দুৰ্বল কৰিবলৈ চেষ্টা কৰিছে। আমেৰিকাই ৰাছিয়াক কৌশলগতভাৱে পৰাজিত কৰিব বিচাৰিছে বুলিও মন্তব্য কৰে পুটিনে। আনহাতে তেওঁ দেশখনৰ অৰ্থাৱস্থাৰ বিষয়ে মন্তব্য কৰি কয় যে অদূৰ ভৱিষ্যতে বিশ্বৰ চাৰিখন বৃহত্তম অৰ্থনীতিৰ ভিতৰত অন্যতম হ'ব ৰাছিয়া।

এইবাৰ নতুন ৰূপত আপোনাৰ গাইডেন্স
গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতি আৰু নতুন উদ্যমেৰে আপোনাৰ পদূলি গাইডেন্স
GUIDANCE SENIOR SECONDARY SCHOOL
২০২৪-২৫ শিক্ষাবৰ্ষ নামভৰ্ত্তি চলি আছে
অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ
Run by:- HDSW Society
An Institute of Quality Education
Salient Features
Well Trained Qualified Teachers.
Healthy & Peaceful Environment.
Scholarship for Meritonious Students.
Transport Facility.
PD & Spoken English.
Free Health Chek up.
Free Computer Education.

প্ৰতিটো ক্লাছত আসন মাত্ৰ ৩০
Murajhar (Ruhini Pathe) Hojai 8876310103 / 9678015016

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান